No. CDPO (M) ICDS/217/2025-26/508

# কাৰ্যালয় জাননী

অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ নিৰ্দেশনা No. DWCD (ICDS) E/51/2023/33 Dtd. 29-10-24 আৰু No. DWCD (ICDS ) E / 51/2023/34 dtd. 29-10-24 অনুসৰি, ইয়াৰ দ্বাৰা মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ তলত উল্লেখ কৰা অঙ্গনৱাড়ী কেন্দ্ৰসমূহত খালী হৈ থকা অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকা পদত স্বেচ্ছামূলক সেৱাৰ বাবে স্থানীয় ইচ্ছুক মহিলাৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে । আবেদন প্ৰ- পত্ৰ কাৰ্যালয় খোলা অৱস্থাত কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব পাৰিব। কাৰ্যালয়ৰ পৰা যোগান ধৰা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি যাৱতীয় তথ্য আৰু নথি পত্ৰ সহ বিজ্ঞাপনৰ জাননী প্ৰকাশ হোৱা তাৰিখৰ পৰা অহা ইং ২৪/০১/২০২৫ তাৰিখৰ ভিতৰত নিম্নস্বাক্ষৰকাৰীৰ কাৰ্যালয়ত জমা দিব পাৰিব । সাক্ষাৎকাৰৰ তাৰিখ আৰু স্থান পৰৱৰ্তী সময়ত কাৰ্যালয়ত ঘোষণা কৰা হ'ব।

| ক্ৰঃ নং | অঙ্গনৱাড়ী কেন্দ্ৰৰ নাম | খালী পদৰ নাম | সংৰক্ষণ (যদি আছে) |
|---|---|---|---|
| ১ | ধুৱাচলা জনজাতি | অঙ্গনৱাড়ী সহায়িকা | অসংৰক্ষিত |
| ২ | ২ নং ম'হখুঁটি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৩ | ধাপাক | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৪ | জুগুনিধাৰী | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জাতি |
| ৫ | বেলসিদ্ধিয়া | অঙ্গনৱাড়ী সহায়িকা | অন্যান্য পিছপৰা |
| ৬ | মেকাহী চাপৰি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৭ | চকৰিটিকা মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৮ | মটিয়াবাৰী মিচিং | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৯ | গেৰেকী ভুৱামৰা | অঙ্গনৱাড়ী কৰ্মী | অনুসূচিত জনজাতি |
| ১০ | নতুন খলিহামাৰী মিনি | অঙ্গনৱাড়ী সহায়িকা | অসংৰক্ষিত |
| ১১ | মিলনপুৰ পগাগচুক মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ১২ | টেঙাগুৰি মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ১৩ | থানগুৰি মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ১৪ | কঁহাৰডুবি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ১৫ | খলিহামাৰী | অঙ্গনৱাড়ী সহায়িকা | অসংৰক্ষিত |
| ১৬ | সোৱনী জকাইবোৱা মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ১৭ | আমলখি গুৰি মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জাতি |
| ১৮ | মলাপিন্ধা অঘৰীয়া মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ১৯ | উলুপাম মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২০ | কৰতিপাৰ কৈৱৰ্ত মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২১ | মলাপিন্ধা লৰপুৰ বগৰিগুৰি মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২২ | চিলাকলা ভাটি মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জাতি |
| ২৩ | বৰুনচুক মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২৪ | ভাঙুনমাৰী মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২৫ | লীলাবাৰী মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২৬ | মিছামৰা ডুমচুক মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২৭ | গোপালচুক বিৰচন চুবুৰি মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২৮ | ভেকেলি মদাৰগুৰি মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ২৯ | ভেকেলি শান্তিপুৰ মিনি | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৩০ | উজিৰআটী | অঙ্গনৱাড়ী সহায়িকা | অসংৰক্ষিত |
| ৩১ | কুহিয়াবাৰী | অঙ্গনৱাড়ী কৰ্মী | অসংৰক্ষিত |
| ৩২ | ন-পমুৱা | অঙ্গনৱাড়ী কৰ্মী | অসংৰক্ষিত |
| ৩৩ | মিলি গাঁও | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৩৪ | ময়েংগিয়া তাঁতীবাৰী | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৩৫ | উজনি গেজেৰা | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৩৬ | বোকাজান | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জনজাতি |
| ৩৭ | বাঘগাঁও | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জাতি |
| ৩৮ | পহুমৰা নাথ গাঁও | অঙ্গনৱাড়ী সহায়িকা | অসংৰক্ষিত |
| ৩৯ | পহুমৰা কলিতা | অঙ্গনৱাড়ী সহায়িকা | অসংৰক্ষিত |

**অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকা পদৰ আবেদনৰ বাবে বাধ্যতামূলক আৱশ্যকীয় আৰু শিক্ষাগত অৰ্হতা**

**(Mandatory Requirement and Qualification) :**

১. অঙ্গনৱাড়ী কেন্দ্ৰৰ কৰ্মী/সহায়িকা পদৰ প্ৰাৰ্থীগৰাকী অঙ্গনৱাড়ী কেন্দ্ৰৰ জৰীপ এলেকাৰ ভিতৰৰ স্থানীয় মহিলা হ'ব লাগিব । য'ত অঙ্গনৱাড়ী কেন্দ্ৰটো অৱস্থিত।

২. প্ৰাৰ্থীৰ বয়স ইং ০১/০১/২০২৫ তাৰিখত ন্যূনতম ১৮ বছৰ আৰু সৰ্বাধিক ৪৪ বছৰৰ ভিতৰত হ'ব লাগিব ।

৩. অঙ্গনৱাড়ী কৰ্মী পদৰ শিক্ষাগত অৰ্হতা কমেও উচ্চতৰ মাধ্যমিক পৰীক্ষা (HSSLC) ত উত্তীৰ্ণ হ'ব লাগিব আৰু অসম চৰকাৰৰ অধীনৰ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (AHSEC) বা সমপৰ্যায়ৰ ব'ৰ্ড / কাউঞ্চিলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব । যদি উক্ত অঙ্গনৱাড়ী কেন্দ্ৰ এলেকাত উচ্চতৰ মাধ্যমিক পৰীক্ষা (HSSLC) ত উত্তীৰ্ণ প্ৰাৰ্থী নাথাকে তেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC) / হাইমাদ্ৰাছা পৰীক্ষা (AHM)ত উত্তীৰ্ণ অথবা অসম চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত HSLC/ AHM সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ আবেদনকাৰীক বিবেচনা কৰা হ'ব ।

৪. অঙ্গনৱাড়ী সহায়িকা পদৰ প্ৰাৰ্থী কমেও হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC)/ হাইমাদ্ৰাছা পৰীক্ষা (AHM) ত উত্তীৰ্ণ হ'ব লাগিব । যদিহে উক্ত অঙ্গনৱাড়ী কেন্দ্ৰ এলেকাত HSLC/ AHM পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থী নাথাকে তেতিয়া শিক্ষাগত অৰ্হতা নৱম শ্ৰেণী উত্তীৰ্ণ আবেদনকাৰীক বিবেচনা কৰা হ'ব । নৱম শ্ৰেণী উত্তীৰ্ণ প্ৰমাণ-পত্ৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ দ্বাৰা প্ৰতি স্বাক্ষৰিত (Countersigned) হ'ব লাগিব ।

মহামান্য উচ্চ ন্যায়ালয়ৰ কেছ নং WP (C) নং ৩৪০৯/২০১৫ আৰু মাধ্যমিক শিক্ষা পৰিষদৰ পত্ৰ নং SEBA/AB/Govt./I/2005/349, dtd. 08.07.2015 মৰ্মে প্ৰাৰ্থীসকলৰ জ্ঞাতাৰ্থে জনোৱা যায় যে কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা BPP প্ৰমাণ পত্ৰ, অসম মাধ্যমিক শিক্ষা পৰিষদে অনুষ্ঠিত কৰা HSLC/AHM পৰীক্ষাৰ সমপৰ্যায়ৰ বুলি গণ্য কৰা নহ'ব। গতিকে যিসকল আবেদনকাৰীয়ে কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ BPP প্ৰমাণ পত্ৰ প্ৰদান কৰে উক্ত প্ৰমাণ পত্ৰসমূহ HSLC/AHM পৰীক্ষাৰ সমপৰ্যায়ৰ বুলি গণ্য কৰা নহ'ব ।

৫. স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ট গাঁওবুঢ়া, গাঁও পঞ্চায়তৰ সদস্য/ সভাপতিৰ পৰা সংগ্ৰহ কৰিব পাৰিব ।

৬. অঙ্গনৱাড়ী কৰ্মী / সহায়িকা পদৰ বাবে প্ৰয়োজনীয় ন্যূনতম শিক্ষাগত অৰ্হতাৰ পৰীক্ষাত লাভ কৰা নম্বৰৰ মেধাৰ ভিত্তিত প্ৰাৰ্থী বাছনি কৰা হব ।

৭. অঙ্গনৱাড়ী কৰ্মী / সহায়িকাৰ অৱসৰৰ বয়স ৬০ বছৰ হ'ব আৰু ৬০ বছৰ বয়স হোৱাৰ লগে লগেই উক্ত পদৰ পৰা অব্যাহতি দিয়া হ'ব ।

৮. শিশু উন্নয়ন প্ৰকল্প বিষয়াই নিৰ্বাচিত অঙ্গনৱাড়ী কৰ্মী /সহায়িকাসকলক স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ সন্মতি প্ৰদানৰ বাবে পত্ৰ প্ৰদান কৰিব আৰু অঙ্গনৱাড়ী কৰ্মী / সহায়িকাই অঙ্গনৱাড়ী কেন্দ্ৰত স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সন্মতি পত্ৰ প্ৰদান কৰিব লাগিব ।

৯. অঙ্গনৱাড়ী কৰ্মী /সহায়িকা পদৰ প্ৰাৰ্থীয়ে অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত চিকিৎসালয়ব চিকিৎসকৰ দ্বাৰা সুস্থ শাৰীৰিক আৰু মানসিক স্বাস্থ্য সম্পৰ্কে প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব ।

১০. অঙ্গনৱাড়ী কেন্দ্ৰৰ এলেকাত যদি ৪০ শতাংশ বা ততোধিক অনুসূচিত জাতি/ অনুসূচিত জনজাতি/ চাহ জনগোষ্ঠীৰ লোক থাকে তেন্তে উক্ত কেন্দ্ৰত তেওঁলোকৰ মাজৰ পৰাহে কৰ্মী / সহায়িকা মকৰল কৰা হ'ব

১১. বিশেষভাৱে সক্ষম প্ৰাৰ্থীৰ বাবে ৩ শতাংশ পদ সংৰক্ষিত থাকিব ।

১২. নিৰ্বাচিত অঙ্গনৱাড়ী কৰ্মী/ সহায়িকা সকলক চৰকাৰী নিৰিখ মতে পাৰিতোষিক প্ৰদান কৰা হ'ব ।

আবেদনকাৰীয়ে আবেদনৰ লগত তলত উল্লেখ কৰা প্ৰমাণ পত্ৰ সমূহৰ ওপৰত প্ৰয়োজনমতে স্ব-স্বাক্ষৰিত প্ৰতিলিপি দাখিল কৰিব লাগিব ।

(ক) শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ (Certificate) আৰু নম্বৰ তালিকা (Marks-sheet)

(খ) আবেদনকাৰীয়ে আবেদন কৰা সময়ত বসবাস কৰি থকা অঞ্চলৰ প্ৰমাণ পত্ৰ।

(গ) বয়সৰ প্ৰমাণ পত্ৰ ।

(ঘ) চৰকাৰী চিকিৎসকৰ স্বাস্থ্য সম্পৰ্কীয় প্ৰমাণ- পত্ৰ ।

(ঙ) জাতিগত প্ৰমাণ-পত্ৰ ।

(চ) আধাৰ কাৰ্ডৰ ফটোষ্টেট কপি।

(ছ) আবেদনকাৰীৰ একপি পাছপৰ্ট ফটো।

**তলত দিয়া কাৰণ সমূহৰ কাৰণে কোনো আবেদনকাৰীৰ প্ৰাৰ্থিত্ব বাতিল হ'ব পাৰে :**

(ক) প্ৰাৰ্থীৰ মানসিক অৱস্থা যদি সুস্থিৰ নহয়।

(খ) ভগ্ন স্বাস্থ্য আৰু যদি জটিল ৰোগত আক্ৰান্ত হয়।

(গ) আদালতত ফৌজদাৰী গোচৰ চলি থকা আবেনকাৰী।

(ঘ) বিদ্যালয় অথবা মহাবিদ্যালয়ত পঢ়ি থকা নিয়মীয়া ছাত্ৰী।

(ঙ) আবেদনকাৰীয়ে আবেদন দাখিল কৰা আৰু প্ৰাৰ্থী মকৰল কৰাৰ আগেয়ে যদি অঙ্গনৱাড়ী কেন্দ্ৰৰ জৰীপ এলেকাৰ বাহিৰ এলেকালৈ স্থায়ীভাৱে বসবাস কৰিবলৈ গুচি যায় তেনেহ'লে তেওঁক মকৰল কৰা নহ'ব। এই বিষয়ে কৰ্তৃপক্ষই যদি প্ৰাৰ্থী মকৰল কৰাৰ আগেয়ে প্ৰামাণিক তথ্য পায় তেন্তে তেনে প্ৰাৰ্থীক মকৰল কৰা নহ'ব।

(চ) আবেদনকাৰীয়ে দাখিল কৰা আবেদন-পত্ৰ অসম্পূৰ্ণ হ'লে অথবা আবেনকাৰীৰ উল্লিখিত (বাধ্যতামূলক) প্ৰয়োজনীয় চৰ্তাৱলী পূৰণ নকৰা আবেদন-পত্ৰসমূহ নাকচ কৰা হ'ব।

(ছ) কোনো ভুল তথ্য বা ভুল নথি দাখিল কৰি যদি কোনো প্ৰাৰ্থী বিবেচিত হয়, সেইটো পিছত প্ৰমাণিত হ'লে তেনে প্ৰাৰ্থীক বৰ্খাস্ত কৰা হ'ব।

**স্বাক্ষৰ/- শিশু উন্নয়ন প্ৰকল্প বিষয়া**

**মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্প, কমলাবাৰী**

**Janasanyog/D/11564/24/11-Jan-25**